# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-12-2017

**Time :** 0850 Hrs

## Assamese Morning Bulletin

## HEADLINES

১। ৰাজ্যৰ দীৰ্ঘদিনীয়া উগ্ৰপন্থী সমস্যা সমাধানৰ উদ্দেশ্যে নতুন দিল্লীত আজি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আলফাৰ মাজত এখন গুৰুত্বপূৰ্ণ ত্ৰিপাক্ষিক বৈঠক।

২। অহা চাৰি মাহৰ ভিতৰত বৰাক উপত্যকাক সংযোজিত কৰা ইষ্ট-ৱেষ্ট কৰিডৰেৰে যান-বাহনৰ চলাচল আৰম্ভ।

৩। আজিৰে পৰা সংসদৰ শীতকালীন অধিবেশন ।

৪। গুৱাহাটীকে ধৰি দেশৰ তিনি ঠাইত ফৰেনচিক গৱেষণাগাৰ স্থাপনৰ সিদ্ধান্ত।

*আৰু*

৫। আই এছ এল ফুটবল প্ৰতিযোগিতাত কোচিত আজি নিশা নৰ্থ-ইষ্ট ইউনাইটেড কেৰালা ব্লাষ্টাৰ্ছৰ মুখামুখি।

oooooooooo

ৰাজ্যৰ দীৰ্ঘদিনীয়া উগ্ৰপন্থীৰ সমস্যাটো সমাধান কৰাৰ উদ্দেশ্যে চলাই থকা শান্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আলফাৰ মাজত এখন গুৰুত্বপূৰ্ণ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হব। এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰালয় আৰু অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা আৰু সাধাৰণ সম্পাদক অনুপ চেতিয়াৰ নেতৃত্বত এটা ৮ জনীয়া প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই বৈঠকত আলফাৰ সৈতে আলোচনাৰ মধ্যস্থতাকাৰী হিচাপে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰা কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ প্ৰাক্তন মুৰববী দীনেশ্বৰ শৰ্মায়ো অংশ গ্ৰহণ কৰিব। সংগঠনটোৰ নেতা অনুপ চেতিয়াই জনোৱা মতে, আজিৰ এই বৈঠকত ঘাইকৈ ৰাজ্যৰ থলুৱা লোকসকলৰ সাংবিধানিক সুৰক্ষা, ভূমিৰ অধিকাৰ আৰু ৰাজনৈতিক তথা অৰ্থনৈতিক অধিকাৰ সুৰক্ষিত কৰি ৰখাৰ বিষয়টো বিশেষভাৱে উত্থাপন কৰা হব।

আনহাতে, তিনিচুকীয়াৰ বৰডুমচাত কেইদিনমান পূৰ্বে আলফা স্বাধীনৰ দ্বাৰা দুজন লোকক গুলীয়াই হত্যা কৰাৰ লগতে শেহতীয়াভাৱে উজনি অসমত আলফাৰ হিংসাত্মক কাৰ্যকলাপ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সংগঠনটোৰ এনে কামকাজ ৰোধ কৰাৰ বাবে অসম আৰক্ষীৰ উপৰিও চুবুৰীয়া অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলোৱাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

oooooooooo

দেশৰ অন্যান্য অঞ্চলৰ সৈতে বৰাক উপত্যকাক সংযোজিত কৰা ৰাজ্যৰ মাজেৰে গৈ চৌৰাষ্ট্ৰলৈ ইষ্ট-ৱেষ্ট কৰিডৰেদি অহা এপ্ৰিল মাহৰ ভিতৰত যান-বাহনৰ চলাচল আৰম্ভ হ'ব। প্ৰায় ১৫ বছৰৰ পূৰ্বে নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা শিলচৰক সংযোজিত কৰা ইষ্ট-ৱেষ্ট কৰিডৰ নিৰ্মাণ অতি সোনকালেই সম্পূৰ্ণ কৰাৰ বাবে যুদ্ধকালীন ক্ষীপ্ৰতাৰে কাম-কাজ অব্যাহত আছে। ৰাজ্যৰ গড়কাপ্তানী মন্ত্ৰী পৰিমল শুক্লবৈদ্যই এই কথা প্ৰকাশ কৰিছে। তেওঁ কৈছে যে- অতি দুৰ্গম ডিমা হাচাও জিলাৰ বড়াইল পৰ্বতত বালাচেৰা আৰু হাৰাংগাচেৰাৰ মাজৰ অঞ্চলটোত ইষ্ট-ৱেষ্ট কৰিডৰ নিৰ্মাণৰ বাবে থকা জটিলতা আঁতৰ কৰোৱাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু অতি সোনকালেই এই অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশ আৰু বন্য প্ৰাণী সুৰক্ষাৰ বাবে তিনিটা সুৰংগৰ কাম সম্পূৰ্ণ কৰি তোলা হ'ব। মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে যে আহা এপ্ৰিল মাহৰ পৰাই শিলচৰলৈ ইষ্ট-ৱেষ্ট কৰিডৰৰ জৰিয়তে যাতায়াত নিয়মীয়াকৈ আৰম্ভ হ'ব।

oooooooooo

আজিৰে পৰা সংসদৰ শীতকালীন অধিবেশন আৰম্ভ হব। অহা ৫ জানুৱাৰীত সামৰণি পৰিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত ১৪ দিন উভয় সদনৰ বৈঠক অনুষ্ঠিত হব। সংসদৰ দুয়োখন সদনৰ কামকাজ নিয়াৰিকৈ সম্পাদন কৰাৰ বাবে ৰাজনৈতিক দলসমূহৰ সহযোগিতা বিচাৰি চৰকাৰে কালি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত কৰে। বৈঠকখনত অংশগ্ৰহণ কৰি সংসদীয়া পৰিক্ৰমা মন্ত্ৰী অনন্ত কুমাৰে অধিবেশনখন ফলপ্ৰসূ কৰি তোলাৰ বাবে সকলো ৰাজনৈতিক দলকে সহযোগিতাৰ আহ্বান জনায়। একেদৰে ভিন ভিন বিষয়ক লৈ কৌশল আৰু স্থিতি সন্দৰ্ভত আলোচনা কৰাৰ বাবে বিৰোধী দলৰ নেতৃবৰ্গৰো এখন সুকীয়া বৈঠক কালি অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে - অধিবেশনৰ সময়ছোৱাত আলোচনা আৰু অনুমোদনৰ বাবে উত্থাপন কৰিবলগীয়া বিধেয়কসমূহৰ ভিতৰত **তিনি তালাক** আৰু পিছপৰা শ্ৰেণীৰ আয়োগক সাংবিধানিক মৰ্যাদা প্ৰদান সম্পৰ্কীয় বিধেয়ক দুখন অন্যতম। ইপিনে, সংসদীয় পৰিক্ৰমা মন্ত্ৰী অনন্ত কুমাৰে কৈছে যে - এই অধিবেশনৰ সময়ছোৱাত পৰিপূৰক দাবী মঞ্জুৰীৰ লগতে জি এছ টি ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে ৰাজ্যসমূহক দিবলগীয়া ক্ষতিপূৰণসহ বিভিন্ন বিষয়ৰ তিনিখন অধ্যাদেশ সন্দৰ্ভতো আলোচনা কৰা হ'ব।

০০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অপৰাধ নিৰ্মূলৰ ক্ষেত্ৰত আইন বলবৎকাৰী সংস্থাসমূহক সহায় কৰিব পৰাকৈ গুৱাহাটীকে ধৰি দেশৰ তিনি ঠাইত ফৰেনচিক গৱেষণাগাৰ স্থাপনৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে কালি গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আন দুটা গৱেষণাগাৰ পুণে আৰু ভূপালত স্থাপন কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। গৱেষণাগাৰকেইটাক আধুনিক

সা-সঁজুলিৰে প্ৰতিষ্ঠা কৰাৰ বাবে অহা দুবছৰত মন্ত্ৰী দপ্তৰটোৱে এহেজাৰ ৫৪ কোটি টকা ব্যয় কৰিব। এনে সা-সঁজুলিৰ ভিতৰত গৱেষণাৰ কাৰণে প্ৰয়োজনীয় বিভিন্ন সা-সুবিধা আৰু যন্ত্ৰপাতিও থাকিব। ইয়াৰ লগতে প্ৰয়োজনীয় যানবাহনৰো যোগান ধৰা হ'ব।

০০০০০০০০০০

কাৰ্বি আলং স্বায়ত্ব শাসিত পৰিষদে জিলাখনৰ খেৰনিৰ প্ৰস্তাৱিত গ্ৰেজিং সংৰক্ষিত বনাঞ্চলত উচ্ছেদ কাৰ্য চলোৱা হব বুলি ওলোৱা বাতৰি অগ্ৰাহ্য কৰিছে। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰাংহাঙে কালি পশ্চিম কাৰ্বি আংলঙৰ খেৰনিত এই বিষয়ে কয় যে - অঞ্চলটোত কেইবাদশকো ধৰি বসবাস কৰি থকা লোকসকলে এই বিষয় লৈ চিন্তা কৰিবলগীয়া একো নাই।

০০০০০০০০০০

উত্তৰ কাছাৰ স্বায়ত্ত শাসিত পাৰ্বত্য জিলা পৰিষদৰ কালি অনুষ্ঠিত শীতকালীন অধিৱেশনৰ ৪২তম দল বাগৰা বিৰোধী আইনৰ সংশোধনী বিধেয়কখন গ্ৰহণ কৰা হয়। সদনত নিয়োগ, ৰাজহ আৰ্জন, কৰ্মচাৰীৰ দৰমহা আদি বিষয়েও আলোচনা কৰা হয়। সদনত

সদস্যসকলে ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাক সামৰি স্বায়ত্ত শাসিত ৰাজ্য গঠনৰ প্ৰস্তাৱৰ বিষয়েও আলোচনা কৰি প্ৰস্তাৱটোৰ সপক্ষে মত প্ৰকাশ কৰে।

০০০০০০০০০০০

কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে কপিলী আৰু আমৰেঙৰ কেইবা ঠাইতো কেইবাখনো উন্নয়নী আঁচনি ৰূপায়নৰ বাবে আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত কপিলী অঞ্চলত দুই কোটি ১৪ লাখ টকা ব্যয় সাপেক্ষ পকীপথ নিৰ্মাণ, বহুমুখী ভৱন স্থাপন, সাংস্কৃতিক প্ৰেক্ষাগৃহ নিৰ্মাণ, সমূহীয়া প্ৰেক্ষাগৃহ স্থাপন আৰু বিবাহ ভৱন নিৰ্মাণৰ প্ৰস্তাৱ কৰা হৈছে।

০০০০০০০০০০০

## Newspaper Review

হিন্দু বাংলাদেশীৰ নাগৰিকত্ব, গুজৰাট বিধানসভা নিৰ্বাচন, বগীঢলা চাহ বাগিচাৰ গুলী চালনাক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহত সৰ্বাধিক গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। হিন্দু বাংলাদেশী লোকক নাগৰিকত্ব প্ৰদানৰ বিষয়ত উত্থাপিত হ'বলগীয়া এখন অধ্যাদেশক কেন্দ্ৰ কৰি দৈনিক অসম, দৈনিক জনমভূমি, আমাৰ অসম, ছেণ্টিনেল আদি কাকতে আজি প্ৰধান বাতৰি পৰিৱেশন কৰিছে। আন কাকতসমূহতো এই বিষয়টোৱে গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। গুজৰাটৰ নিৰ্বাচনক লৈ প্ৰকাশিত এক্‌জিট পলৰ আধাৰত ৰাজ্যখনত পুনৰ বিজেপিৰ জয়লাভৰ সম্ভাৱনাৰ বাতৰিয়ে অসমীয়া প্ৰতিদিন কাকতখনত প্ৰধানৰ বাতৰিৰ স্থান পোৱাৰ বিপৰীতে আন আটাইবোৰ কাকতেও ফটো আৰু তালিকাৰে সৈতে বাতৰিটো চকুত লগাকৈ পৰিৱেশন কৰিছে। **ৰাজ্যৰ বাগিচাই বাগিচাই শ্ৰমিকৰ ৰণদুন্দুভি**।- বগীঢলা চাহ বাগিচাত সংঘটিত ঘটনাৰ প্ৰতিক্ৰিয়াৰ সন্দৰ্ভত এয়া নিয়ামীয়া বাৰ্তা কাকতৰ আজিৰ প্ৰধান বাতৰিৰ শিৰোনাম। একেটা বিষয়ক লৈ আছাম ট্ৰিবিউন কাকতেও আজিৰ প্ৰধান বাতৰি পৰিৱেশন কৰিছে। আনহাতে, বলাৎকাৰ আৰু হত্যাৰ গোচৰত বটদ্ৰৱাৰ আমিৰুল ইছলাম নামৰ যুৱক এজনক কেৰালাৰ আৰ্নাকুলামৰ এখন আদালতে মৃত্যুদণ্ড বিহাৰ বাতৰিটোক দৈনিক অগ্ৰদূত কাকতখনে আজিৰ প্ৰধান বাতৰিৰ স্থান দিছে।

কাকতসমূহৰ অন্য বাতৰিৰ ভিতৰত আছে-পাগলাদিয়াৰ পানীতো প্ৰদূষণ, ব্ৰহ্মপুত্ৰৰ পানী সন্দৰ্ভত চীনৰ বিদেশ মন্ত্ৰীৰ সৈতে সুষমা স্বৰাজৰ আলোচনা, দুৰ্নীতিৰ অভিযোগত

ডিব্ৰুগড়ৰ গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য অভিযন্তাক গ্ৰেপ্তাৰ, আধাৰ কাৰ্ডৰ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰৰ স্থিতিৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত আজি শুনানী, মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যকাল ৫ বছৰ নিৰ্ধাৰণ কৰি ৰাজ্যৰ শিক্ষা বিভাগৰ জাননী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত চমু অৱলোকন।

০০০০০০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি নিশা ৮ বজাত নৰ্থ-ইষ্ট ইউনাইটেড কোচিত দুবাৰৰ ৰাণাৰ্ছআপ কেৰালা ব্লাষ্টাৰ্ছৰ সন্মুখীন হ'ব। উভয় দলেই আজি প্ৰতিযোগিতাৰ পঞ্চমখন খেলত অংশগ্ৰহণ কৰিব।

০০০০০০০০০০

অসমৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য ভাৰতীয় অলিম্পিক সন্থাৰ উপ-সভাপতি নিৰ্বাচিত হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত ভাৰতীয় অলিম্পিক সন্থাৰ নিৰ্বাচনত শ্ৰীবৈশ্যই সৰ্বাধিক ১২৬টা ভোটেৰে উপ-সভাপতিৰূপে নিৰ্বাচিত হয়। নিৰ্বাচনটোত নৰিন্দ্ৰ বাট্ৰা আৰু ৰাজীৱ মেহতা তথা আনন্দেশ্বৰ পাণ্ডে ক্ৰমে সভাপতি, সচিব আৰু কোষাধ্যক্ষৰূপে নিৰ্বাচিত হয়।

০০০০০০০০০০

বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগজাননী অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰায়বোৰ ঠাইতে আকাশ কোনো কোনো ঠাইত মেঘাচ্ছন্ন হৈ থাকি পুৱা গধুলি কুঁৱলি পৰাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত অঞ্চলটোৰ তাপমাত্ৰা সৰ্বোচচ ২৬ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী চেলচিয়াচৰ আশে পাশে থকাৰ সম্ভাৱনা আছে।

০০০০০০০০০০

(সমাপ্ত)